অষ্ট্ৰেলিয়াৰ আদিম অধিবাসীসকলৰ জীৱনতো পৰিবেশে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। তেওঁলোকে বাস কৰা অঞ্চল মৰুভূমিময়। এওঁলোকৰ খেতি-বাতিও নাই অথবা এওঁলোকে পশুপালনো নকৰে। চিকাৰ আৰু আহাৰ অন্বেষণত এওঁলোক ব্যস্ত থাকিব লাগে। সেইবাবে তেওঁলোকে সৰু সৰু দলত বিভক্ত হৈ অঘৰী জীৱন যাপন কৰে। এওঁলোকৰ স্থায়ী ঘৰ-বাৰী নাই। মৰুভূমিৰ মাজত বাস কৰা বাবে তেওঁলোকৰ মাজত খাদ্য সামগ্ৰীৰ অভাৱ। মৰুভূমিৰ পৰিবেশে তেওঁলোকৰ জীৱনত নানান সংঘাত আনিছে।

সংস্কৃতিৰ সকলো দিশ আৰু উপাদান সৃষ্টিৰ মূলতে হৈছে পৰিবেশ। সংস্কৃতি পৰিবেশৰেই অৱদান আৰু পাৰিপাৰ্শ্বিক অৱস্থাই মানুহৰ জীৱন-যাপনৰ মান নিৰ্ণয় কৰে। প্ৰাকৃতিক সম্পদ, জলবায়ু আৰু ভৌগোলিক অৱস্থানে এটা সংস্কৃতিৰ শিল্প, বাণিজ্য, ধৰ্মীয় জীৱন, ৰীতি-নীতি আৰু সভ্যতাৰ বিকাশো নিৰ্দ্ধাৰণ কৰে।

* প্ৰৱন্ধটো যুগুতাওঁতে তলত দিয়া কিতাপ কেইখনৰ সহায় লোৱা হৈছে ঃ
(১) Cultural Anthropology— H. Vitts.
(২) An Introduction to Anthropology— Beals & Hoijer.
(৩) Cultural and Social Anthropology— A. Hoebel & L. Frost.
(৪) নৃতত্ত্ব পৰিচয় (২য় খণ্ড)— মাধৱ গোস্বামী।
(৫) অসমৰ জনজাতি এছ. বৰকটকী।

বিঃ দ্ৰঃ প্ৰৱন্ধটো ১৯৮১ চনৰ উদ্গীৰণ'ৰ বঙালী বিহু সংখ্যাত প্ৰকাশিত।

# ঃ অসমৰ যুৱ আন্দোলন প্ৰসঙ্গ ঃ

শ্ৰীভুপেন শইকীয়া
অধ্যাপক, ভূগোল বিভাগ

[ অসমৰ মাটিত ইয়াণ্ডাবু সন্ধিৰ পিচৰ পৰাই বহু যুৱকৰ বুকুৰ উম আৰু কেঁচা তেজৰ বিনিময়ত জন্ম পোৱা যুৱ আন্দোলনৰ ইতিহাসৰ প্ৰসঙ্গটো উত্থাপন কৰিছোঁ মাথোন। কিন্তু এই আলোচনা সম্পূৰ্ণ বুলি ধৰিলে ভুল হ'ব নিশ্চয়। চিন্তাশীল ব্যক্তিয়ে এই দিশত ইতিবাচক ভাবে গভীৰ পৰ্য্যালোচনা চলালে আৰু ন ন আলোকপাত তথা সংযোজনা হোৱাৰ সম্ভাৱনা। ]

এক ঐতিহ্যপূৰ্ণ অতীত আৰু এটা জ্বলন্ত বৰ্তমানেৰে সমৃদ্ধ অসমৰ যুৱ সমাজৰ আছে ডেৰশ বছৰীয়া সুদীৰ্ঘ সংগ্ৰামী ইতিহাস। যদিও এই দীৰ্ঘদিনীয়া সংগ্ৰামী ইতিহাস নিৰৱচ্ছিন্ন আৰু আদৰ্শগতভাৱে নিৰ্দ্দিষ্ট নাছিল তথাপি বিক্ষিপ্ত ৰূপত হ'লেও বিভিন্ন বাস্তৱ সমস্যা তথা পৰিস্থিতিৰ দাবীত অসমৰ যুৱ সমাজে আজিলৈকে এক চমৎকাৰ সংগ্ৰামী পৰম্পৰা কঢ়িয়াই আনিছে। অসমৰ যুৱ আন্দোলন বুলিলে ছাত্ৰ সমাজৰ তথা ছাত্ৰৰ নেতৃত্বত গঢ় লৈ উঠা আন্দোলনৰ কথাকে ক'ব লাগিব। কাৰণ অসমৰ মাটিত গঢ়ি উঠা প্ৰায় বোৰ আন্দোলনেই ছাত্ৰ তথা যুৱ সমাজে জন্ম দিয়া। অসমৰ বুকুত যুৱ আন্দোলনৰ এক পটভূমি গঢ়ি উঠিছিল অসমে স্বাধীন সত্তা হেৰুৱাই পৰাধীনতাৰ শৃঙ্খল পিন্ধি লোৱাৰ লগতে অৰ্থাৎ ১৮২৬ চনৰ ২৭ ফেব্ৰুৱাৰী তাৰিখৰ ইয়াণ্ডাবু সন্ধিৰ মাজেৰে বৃটিছ সাম্ৰাজ্যবাদৰ কবলত পৰা দিনতে। পৰাধীনতাৰ গধুৰ যুৱলি কান্ধত তুলি লবলৈ অস্বীকাৰ কৰি পোন প্ৰথমে ১৮২৮ আৰু ১৮২৯ চনত গোমধৰ কোঁৱৰ, ৰূপচান্দ কোঁৱৰ আৰু গদাধৰ কোঁৱৰৰ নেতৃত্বত অসমৰ যুৱকে বিক্ষিপ্ত ৰূপত হ'লেও জন্ম দিছিল এক ঐতিহাসিক বিদ্ৰোহৰ— উপনিবেশতাবাদী বৃটিছৰ বিৰুদ্ধে গঢ়ি তোলা এক গণ অভ্যুত্থানৰ।

গোমধৰ কোঁৱৰে ৰজাৰ দিনৰ আৰু বৃটিছৰ অধীনৰ বিষয়াসকললৈ চিঠি প্ৰেৰণ কৰি ষড়যন্ত্ৰত যোগ দিবলৈ টানি অনুৰোধ জনাইছিল আৰু ইংৰাজৰ হৈ খাজানা তুলি ফুৰা লোকক হকা-বধা কৰিছিল। গোমধৰ কোঁৱৰৰ মুখ্য সহায়-কাৰী আছিল কান্দুৰা ডেকা ফুকন, ধনঞ্জয় ওৰফে পিয়লী বৰগোহাঁই আৰু হৰনাথ গোহাঁই। এই বিদ্ৰোহত বহু যুৱকে অস্ত্ৰ-শস্ত্ৰ লৈ গোমধৰ কোঁৱৰৰ পিচত থিয় দিছিল। কিন্তু এই বিদ্ৰোহৰ আয়োজনৰ বিষয়ে বৃটিছে গম পাই ১৮২৮ চনৰ ২৯ অক্টোবৰ তাৰিখে লেফ্‌টেনেণ্ট্ ৰুথাৰ ফোৰ্ড চাহাবে গোমধৰ কোঁৱৰৰ লোকক আক্ৰমণ কৰি

অত্যাচাৰ চলায় আৰু গোমধৰ কোঁৱৰক সাত বছৰৰ কাৰণে নিৰ্বাসন দিয়ে। হৰনাথৰ বিৰুদ্ধে প্ৰমাণ নোপোৱাত তেওঁক অৱশ্যে মুক্তি দিয়ে। কিন্তু হৰনাথে পুনৰ ষড়যন্ত্ৰ আৰম্ভ কৰে। এই ষড়যন্ত্ৰৰ নেতা আছিল পিয়ালি বা পোৱালী বৰফুকন আৰু জীউৰাম ডুলীয়া বৰুৱা। এওঁলোকে সিদ্ধান্ত কৰিলে যে ১৮৩০ চনৰ ২৫ মাৰ্চ তাৰিখে ৰংপুৰৰ চিপাহীৰ ছাউনীত জুই দি চিপাহীক আক্ৰমণ কৰিব আৰু ৰাজ্য দখল কৰি স্বাধীনতা ফিৰাই আনিব। এইবাৰৰ অভিযানো সম্পূৰ্ণ সফল নাছিল আৰু বৃটিছে পিয়লি বৰফুকন আৰু জীউৰাম ডুলীয়া বৰুৱাক মৃত্যুদণ্ড দিয়ে আৰু বৌম চিংফৌ, ৰূপচান্দ কোঁৱৰ, দেওৰাম দিহিঙীয়া ডেকা আৰু হৰনাথক চৈধ্য বছৰ নিৰ্বাসন দিয়ে।

সমগ্ৰ ভাৰত জুৰি জ্বলা ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ অগনি অসমতো মণিৰাম দেৱান আদিৰ নেতৃত্বত বিয়পি পৰিছিল। চাহাবাদৰ হিন্দু চিপাহীৰ পত্ৰ পাই অসমতো 'ডিব্ৰুগড় ৰেজিমেণ্ট'ৰ চিপাহীয়ে ডেকা চাবিং ৰজাৰ নেতৃত্বত বিদ্ৰোহৰ সূচনা কৰিব বিচাৰিছিল। ১৮৫৯ চনত বৰপেটা মহকুমাত বহু বিদ্ৰোহীৰ লগত পুলিছৰ সংঘৰ্ষ লাগিছিল। এনেকৈয়ে ১৮২৮ চনৰপৰা ১৮৫৯ চনলৈকে প্ৰায় ডেৰকুৰি বছৰ অসমীয়া যুৱকে যুঁজি স্বাধীনতা পুনৰ উদ্ধাৰৰ বাবে সংগ্ৰাম অব্যাহত ৰাখিছিল। অৱশ্যে এই অভ্যুত্থান-বোৰত অসমৰ ব্যাপক অংশক জড়িত কৰিব নোৱাৰাটো এক ঐতিহাসিক বিফলতা বুলিয়ে ক'ব লাগিব। এইটোও অনস্বীকাৰ্য যে এই অভ্যুত্থানৰ গুৰিয়ালৰ প্ৰায়বোৰবে দেহত আছিল ৰাজ পৰিয়ালৰ তেজ আৰু সেয়ে এই অভ্যুত্থানৰ আঁৰত লুকাই আছিল শাসন ক্ষমতা পোৱাৰ এক চক্ৰান্ত।

ইয়াৰ উপৰিও বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কুশল কোঁৱৰ, তিলক ডেকা প্ৰমুখ্যে বহু যুৱ-শ্বহীদৰ বীৰত্বপূৰ্ণ সংগ্ৰামৰ ইতিহাসে পৰাধীনতাৰ কালৰে পৰা গঢ়ি উঠা যুৱ সমাজৰ উপনিবেশ বিৰোধী সচেতনতাৰ স্বাক্ষৰ বহন কৰিছিল। একে সন্দৰ্ভত উল্লেখনীয় যে আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে বহু যুৱক সমাজ সংস্কাৰকে বিক্ষিপ্ত ৰূপত হ'লেও সমাজৰ এটা অংশক কু সংস্কাৰমুক্ত কৰি সচেতন কৰি তুলি-বলৈ চেষ্টা কৰিছিল।

অসমৰ স্বাধীনচিতীয়া ৰাইজে পৰাধীনতাৰ শৃঙ্খল তুলি লোৱাৰ কিছুকাল পিচতে অৰ্থাৎ ১৮৩৬ চনত একাংশ বঙালী আমোলাৰ সহযোগত বৃটিছ শাসকসকলে জাপি দিলে বঙলা ভাষা। বঙলা ভাষাৰ প্ৰচলন বন্ধ কৰি মাতৃভাষাক সমাধিৰ পৰা তুলি অনাৰ দায়িত্বও ন্যস্ত হৈছিল পোন প্ৰথমে অসমৰ যুৱ সম্প্ৰদায়ৰ ওপৰত। আৰু সেয়ে হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে শিক্ষিত যুৱক সকলেই ইয়াৰ গুৰি ধৰিছিল। এক দেশ প্ৰেমিক জাতীয়তাবাদী চিন্তাধাৰাৰ ভেটিতেই প্ৰাৰম্ভিক অৱস্থাত যুৱ ছাত্ৰ সমাজৰ একাংশই ঐক্যবদ্ধ হোৱাৰ প্ৰচেষ্টা চলায়। সেই সময়ত কলিকতাত থকা প্ৰবাসী যুৱ-ছাত্ৰসকলৰ মাজৰ চিন্তা চৰ্চাৰ ফলশ্ৰুতিত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা', এ, এছ, এল ক্লাৱ আদি সংগঠনো গঢ়ি উঠে— যি সংগঠনে ব্যাপকভাৱে অসমীয়া যুৱকলৈ কঢ়িয়াই

আনিছিল সংগ্ৰামী চেতনাৰ বীজ। অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ গতি মন্থৰ হৈ পৰাৰ সময়ত অগ্ৰণী যুৱ-ছাত্ৰৰ প্ৰচেষ্টাই ভাষা-সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ সূচনা কৰিছিল। বাস্তবিকতে সেইসময়ৰ জাতীয় তথা সামাজিক চেতনাই যুৱ-ছাত্ৰ সমাজক সংগঠিত কৰি তোলাত এক ঐতিহাসিক ভূমিকা লৈছিল। অৱশ্যে এইটোও অনস্বীকাৰ্য যে ঠিক তেতিয়ালৈকে কোনো সুসংহত আদৰ্শৰ ভেটিত যুৱ-ছাত্ৰৰ সংগ্ৰামী সংগঠন গঢ়ি উঠিব পৰা নাছিল। ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে এই কালছোৱাত অসমৰ যুৱ-ছাত্ৰ সমাজে বিভিন্ন ধৰণেৰে বাহিৰে ভিতৰে যুঁজি অসমীয়া ভাষাক পুনৰ স্থাপিত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এনে জাতীয় আন্দোলনত অসমৰ যুৱ সমাজে লোৱা স্বাধীন সংগ্ৰামী ভূমিকাক মনত ৰাখিব লাগিব। এ, এছ, ক্লাবৰ অৱিহণাও নিচেই তাকৰ নাছিল। এসময়ৰ এই ক্লাবৰ সভাপতি জগন্নাথ বৰুৱাই ১৮৭২ চনতে অসমত বেল লাইন প্ৰচলন কৰাৰ বাবে সেই সময়ৰ বৃটিছ গৱৰ্ণৰ ৰবাৰ্ট ক্ৰুক চাহাবৰ ওচৰত দাবী উত্থাপন কৰিছিল এনে বিভিন্ন সামাজিক আৰু জাতীয় স্বাধীন চিন্তা আৰু কামৰ ভেটিত জড়িত হৈ যুৱ-ছাত্ৰ সমাজ ক্ৰমাৎ সংগঠিত হোৱাৰ পথত আগবাঢ়িছিল।

ইয়াৰ উপৰিও স্বাধীনতাৰ আগৰ আৰু স্বাধীনতা আন্দোলনৰ কালছোৱাত প্ৰগতিশীল চিন্তা-চৰ্চাই ছাত্ৰ সমাজৰ এটা অংশৰ মাজত গা-কৰি উঠিছিল। এনে প্ৰক্ৰিয়াৰ মাজতে ছাত্ৰ সমাজে সাম্যবাদী চিন্তা-চৰ্চাৰ ভেটিত সংগঠিত হোৱাৰ প্ৰচেষ্টাও আৰম্ভ হয়। ১৯২১ চনত জন্ম পোৱা "আসাম এছোছিয়েছন" নামৰ সংগঠনে ১৯৩৬ চনত মঙ্গলদৈত ভূমি ৰাজহৰ ভিত্তিত সংগ্ৰাম গঢ়ি তুলিছিল। তেনেদৰে বিক্ষিপ্ত ৰূপত হ'লেও সমসাময়িকভাৱে বহুতো যুৱ ছাত্ৰ সংগঠনে অসমৰ বিভিন্ন প্ৰান্তত মূৰ দাঙি উঠিছিল। অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ নেতৃত্বত "ডেকা অসম" নামৰ সংগঠন গঢ়ি উঠিছিল আৰু ইয়াৰ উদ্দেশ্যই আছিল প্ৰকৃত জাতীয় আন্দোলনত উদ্বুদ্ধ কৰি যুৱ-ছাত্ৰৰ ৰাজনৈতিক সচেতনতা বঢ়াই তোলা।

সদৌ অসম ছাত্ৰ সন্মিলনেই আছিল ১৯৩৯ চনলৈ সমগ্ৰ অসমৰে যুৱ-ছাত্ৰসকলৰ বৃহৎ শক্তিশালী সংগঠন। ৰাজনৈতিক উদ্দেশ্যক আগত ৰাখিয়েই ১৯৩৯ চনৰ এপ্ৰিল মাহৰ ২১-২২ তাৰিখে যোৰহাটত বহা অধিবেশনত সদৌ অসম ছাত্ৰ সন্মিলনক নিখিল ভাৰত ছাত্ৰ ফেদাৰেছন'ৰ অন্তৰ্ভুক্ত কৰিবলৈ সিদ্ধান্ত কৰা হয়। এনেদৰেই অসমৰ জাতীয়তাবাদী ধাৰাটোৰ লগত সৰ্বভাৰতীয় সুঁতিটোৰ সমন্বয় ঘটে। অসমৰ যুৱ-ছাত্ৰ আন্দোলনৰ ইতিহাসত মাৰ্ক্সীয় দৰ্শনৰ ভেটিত সৰ্বভাৰতীয় পৰ্যায়ত ছাত্ৰ সংগঠন গঢ়ি উঠাৰ প্ৰাথমিক চৰ্তবোৰ ইয়াৰ মাজতেই নিহিত আছিল যাৰ ফলত ১৯৩৯ চনৰ ৭ নৱেম্বৰত গোলাঘাট ছাত্ৰ সমাজৰ উদ্যোগত মহান অক্টোবৰ বিপ্লৱৰ বাৰ্ষিক উৎসৱ অনুষ্ঠিত হৈছিল। মাৰ্ক্সীয় দৰ্শনৰ ভিত্তিত ৰাজনৈতিক স্বাধীনতা তথা অৰ্থনৈতিক স্বাধীনতাৰ চিন্তাই সেই সময়ৰ ছাত্ৰ সমাজক ভবাই তুলিছিল। ১৯২৭ চনত কটন মহাবিদ্যালয়ৰ কিছু ছাত্ৰই বঙ্গদেশৰ কৃষক আৰু শ্ৰমিক সংগঠনৰ লগত

যোগাযোগ স্থাপন কৰি তুলিছিল। ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ (আৰ, চি, পি, আই) নেতৃত্বত অসমৰ মাটিত সংগ্ৰাম অব্যাহত থকা সময়তে এক যুৱ সংগঠন গঢ়ি উঠিছিল আৰু এই সংগঠনে ধুবুৰীৰ অস্ত্ৰাগাৰৰ অস্ত্ৰ-শস্ত্ৰ পৰ্য্যন্ত লুণ্ঠন কৰি আনিছিল। একেদৰেই ১৯৩১ চনৰ ১৯ এপ্ৰিলত ন-দুৱাৰত অনুষ্ঠিত বলিষ্ঠ যুৱ লীগৰ অধিবেশনত শ্বহীদ ভগৎ সিঙৰ আদৰ্শৰ পৰম্পৰা কঢ়িয়াই নিয়াৰ প্ৰতিশ্ৰুতি গ্ৰহণ কৰা হৈছিল। এনেদৰেই এক শক্তিশালী ডেকা শক্তিৰ জন্ম হৈছিল।

ত্ৰিশৰ দশকৰ মাজ ভাগত অসমৰ ছাত্ৰ সমাজৰ একাংশৰ উদ্যোগত বিভিন্ন শ্ৰমিক সংগঠনো গঢ়ি উঠে। তাৰ ভিতৰত ধুবুৰীৰ অসম মেটছ্‌ কোম্পানীৰ আন্দোলন (১৯৩৬-৩৭), ডিব্ৰুগড় জাহাজ ঘাটৰ শ্ৰমিক আন্দোলন, ডিগবৈ অসম অয়ল কোম্পানীৰ আন্দোলন (১৯৩৮-৩৯) ইত্যাদি। অসম ৰেলৱে আৰু ট্ৰেডিং কোম্পানীৰ শ্ৰমিক সংগঠনো যুৱ সমাজৰ উদ্যোগতে গঢ়ি উঠিছিল। এনেকৈয়ে ত্ৰিশৰ দশকৰ ভিতৰত সংগঠিত হোৱা অসমৰ শ্ৰমিক আন্দোলনত যুৱ-ছাত্ৰসকল জড়িত হৈ পৰিছিল আৰু সংগ্ৰামৰ প্ৰতি পাট অস্ত্ৰই বৃটিছ সাম্ৰাজ্যবাদৰ বিপক্ষে গুজৰি গুমৰি উঠিছিল। ইয়াৰ উপৰিও সৰ্বভাৰতীয় সংগঠনৰ লগত ওতপ্ৰোতভাৱে জড়িত থাকি হেমবৰুৱা, অমিয়কুমাৰ দাস প্ৰমুখ্যে যুৱসকল আৰু স্বাধীনভাৱে বিষ্ণুৰাভা প্ৰমুখ্যে বিভিন্ন বাম চিন্তাৰ বিপ্লৱী যুৱকসকল প্ৰত্যক্ষভাৱে বৃটিছ উপনিবেশৰ বিৰুদ্ধে সংগ্ৰামত জপিয়াই পৰিছিল।

অসমৰ মাটিৰপৰা বৃটিছৰ শাসনৰ পৰিসমাপ্তি ঘটাৰ পিছতো যুৱসকলে বিভিন্ন সমস্যাৰ ভিত্তিত আন্দোলন গঢ়ি তুলিবলগীয়া হৈছিল। ১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলন, ১৯৬৭-৬৯ চনত দ্বিতীয় তেল শোধানাগাৰৰ দাবীত কৰা আন্দোলন, ১৯৭২ চনৰ মাধ্যম আন্দোলন, ১৯৭৪ চনৰ খাদ্য আন্দোলন আদি উল্লেখনীয়। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত ১৯৭৯ চনৰপৰা আৰম্ভ হোৱা বিদেশী নাগৰিক বহিষ্কাৰ সন্দৰ্ভৰ আন্দোলনেও সেই পৰম্পৰাকে বহন কৰিছে।

১৯৪৭ চনৰ পিছতো বিভিন্ন সময়ত ভিন্ ভিন্ ৰাজনৈতিক পাৰ্টি তথা সামাজিক সংগঠনৰ পতাকাৰ তলত বিভিন্ন যুৱ-সংগঠন গঢ়ি উঠিছে। তৰুণ অসম সংঘ (১৯৬০); অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ (AJYSP), সন্মিলিত যুৱ-মৰ্চা (SYM), জনতা যুৱ-মৰ্চা (JYM), ফেডাৰেল ইয়ুথ লীগ (FYL), ডেমক্ৰেটিক ইয়ুথ ফেডাৰেচন অব ইণ্ডিয়া (DYFI), ট্ৰাইবেল যুৱ-ছাত্ৰ পৰিষদ (TYSP), অসম যুৱ সমাজ (AYS), টাই যুৱ লীগ (TYL), চাহ জনজাতি যুৱ-ছাত্ৰ পৰিষদ (SJYSP) আদি হ'ল অসমৰ মাটিত গঢ়ি উঠা কিছুমান যুৱ-ছাত্ৰ সংগঠন। আজিৰ পৰিস্থিতিত যুৱ শক্তি ভিন্ ভিন্ শিবিৰত বিভক্ত হৈ পৰাৰ বাবে যুৱ-সমস্যাৰ দাবীত কোনো একক শক্তিশালী সংযত সংগ্ৰাম গঢ়ি নুঠাটো এক ঐতিহাসিক ব্যৰ্থতা।

●●

# '৮৪ ৰ অলিম্পিক আৰু ভৱিষ্যত

২৮ জুলাই। এই বিশেষ দিনটোতে ১৯৮৪ৰ অলিম্পিক অনুষ্ঠিত হৈছিল, আমেৰিকাৰ মনোৰম মহানগৰী লচ এঞ্জেলচত। অনুষ্ঠিত হৈছিল নানা উত্তপ্ত ৰাজনৈতিক ধুমুহাৰ মাজত। আজিকালি অলিম্পিক খেল আয়োজন কৰা এক অভাৱনীয় ব্যয় বহুল কাম আৰু সাধাৰণ দেশ এখনৰ বাবে স্বপ্নৰ অতীত প্ৰায়। উদাহৰণ স্বৰূপে আমি উল্লেখ কৰিব পাৰোঁ যে ১৯৭৬ চনত মন্ট্ৰিল চহৰত অলিম্পিক আয়োজন কৰিছিল বৰ্তমান বিশ্বৰ অন্যতম সম্পদশালী ৰাষ্ট্ৰ কানাডাই। কিন্তু এই খেলৰ আয়োজনত হোৱা মেটমৰা খৰচৰ কৰৰ বোজাৰপৰা আজিও কানাডাৰ মানুহে উদ্ধাৰ পোৱা নাই। সেয়ে ৩৭ তম অলিম্পিকৰ খৰচৰ ভাৰ অৰ্পণ কৰা হৈছিল আমেৰিকাৰ কিছুমান বহু জাতিক কোম্পানী ( Multi-national Corporation )ৰ হাতত। আনকথাত, বৰ্তমান অলিম্পিক খেল প্ৰতিযোগিতা ব্যৱসায়ী চক্ৰলৈ হস্তান্তৰ হোৱাৰ উপক্ৰম হৈছে। অলিম্পিক খেল প্ৰতিযোগিতাৰ স্বাৰ্থৰ বাবে এইটো এটা ভয়াবহ লক্ষণ। তথাপি নানা বিতৰ্কৰ মাজেদি—প্ৰতিযোগী সকলৰ ভাগাৰ ভঙা-গঢ়াৰ মাজেদি বিশ্বৰ বৃহত্তম খেল প্ৰতিযোগিতাৰ সামৰণি পৰিছিল ১২ আগষ্টত।

**ৰাজনৈতিক বিতৰ্ক ঃ** ৩৭ তম্ অলিম্পিকত প্ৰথম বিতৰ্কৰ সূচনা হয় ৰাচিয়া গোষ্ঠীৰ দেশসমূহক কেন্দ্ৰ কৰি। অলিম্পিক আৰম্ভ হোৱাৰ কিছুদিন আগতে আমেৰিকাত থকা কমিউনিষ্ট বিৰোধী গোষ্ঠীয়ে কমিউনিষ্ট দেশৰ খেলুৱৈসকলক হত্যা কৰাৰ ভাবুকি দি কিছুমান বেনামী চিঠি প্ৰেৰণ কৰে। কমিউনিষ্ট দেশকেইখনে সেই কাৰ্যৰ প্ৰতি আমেৰিকান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু নিজ নিজ দেশৰ খেলুৱৈসকলৰ নিৰাপত্তাৰ বাবে আমেৰিকান চৰকাৰৰ ওচৰত দাবী কৰিছিল। কিন্তু ৰেগান প্ৰশাসনৰপৰা যথোপযুক্ত সঁহাৰি নেপোৱাৰ বাবে ৰাছিয়াৰ নেতৃত্বত পূব ইউৰোপৰ আৰু আফ্ৰিকাৰ কিছুমান দেশে ৩৭ তম্ লচ এঞ্জেলচ অলিম্পিক বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সন্দেহ নাই, বৰ্তমান অলিম্পিক প্ৰতিযোগিতা ঘৃণনীয় ৰাজনীতিৰ কবলত পৰিছে। ১৯৮০ চনত আফগানিস্থানত ৰাছিয়াৰ হস্তক্ষেপৰ প্ৰতিবাদত আমেৰিকাৰ নেতৃত্বত পশ্চিম ইউৰোপৰ দেশসমুহে ১৯৮০ চনৰ মস্কো অলিম্পিক বৰ্জন কৰিছিল। কিছুমান কূটনীতিবিদে ধাৰণা কৰে যে ১৯৮৪ চনৰ লচ এঞ্জেলচ অলিম্পিক বৰ্জন কৰা সিদ্ধান্ত ৰাচিয়াৰ এক ৰাজনৈতিক প্ৰতিশোধৰ বাহিৰে আন একো নহয়। আচলতে অলিম্পিক ক্ৰীড়া প্ৰতিযোগিতাৰ লক্ষ্য হৈছে বিশ্বৰ দেশসমূহৰ মাজত মানবিক বুজাবুজি স্থাপন কৰি ভাতৃত্বৰ বান্ধোন সুদৃঢ় কৰাৰ লগতে ক্ৰীড়া কৌশলত মানুহৰ উৎকৰ্ষ সাধন কৰা। কিন্তু কলুষিত ৰাজনীতিৰ কবলত পৰি প্ৰচলিত অলিম্পিক

মূল্যবোধৰ অপমৃত্যু ঘটিছে। ইয়াৰ বাবে কোন দেশ দায়ী, সেইকথাৰ বিচাৰ ইয়াত নকৰিলেও এটা কথা কিন্তু ক'বই লাগিব যে এইটো সমগ্ৰ মানৱ সমাজৰ বাবে শুভলক্ষণ নহয়।

**লচ এঞ্জেলচৰ আকৰ্ষণ**— ৰাচিয়াকে ধৰি পূব-ইউৰোপৰ দেশ সমূহে লচ এঞ্জেলচ অলিম্পিক বৰ্জন কৰাৰ ফলত এইবাৰৰ অলিম্পিক প্ৰতি-যোগিতা যে যথেষ্ট ম্লান হৈ পৰিছিল তাত সন্দেহৰ অকণো অৱকাশ নাই। কাৰণ বিশ্বৰ ক্ৰীড়া জগতত পূব ইউৰোপৰ কমিউনিষ্ট ৰাষ্ট্ৰ সমূহৰ দক্ষতা ইতিমধ্যে সন্দেহাতীতভাৱে প্ৰমাণিত হৈছে। তথাপি ৩৭ তম লচ এঞ্জেলচৰ আকৰ্ষণ একেবাৰে ম্লান হৈ যোৱা বুলি কলে ভুল কৰা হ'ব। যোগদানকাৰী দেশসমূহৰ প্ৰতিযোগীসকলে নিজস্ব দক্ষতা দেখুৱাবলৈ কৃপণালি কৰা নাছিল। এই ক্ৰীড়াঙ্গনৰ সৰ্বশ্ৰেষ্ঠ আকৰ্ষণ আছিল আমেৰিকাৰ নীগ্ৰো ক্ৰীড়াবিদ্ কাৰ্ল লুইচ। কাৰ্ল লুইচে একক ভাৱে বিভিন্ন খেলত চাৰিটা সোণৰ মেডেল লাভ কৰি বাৰ্লিন অলিম্পিকত ওৱেনে প্ৰতিষ্ঠা কৰা ৰেকৰ্ডৰ লগত সমতা স্থাপন কৰে। ৰাছিয়াৰ অনুপস্থিতি স্বত্বেও লচ এঞ্জেলচ অলিম্পিকৰ বিশেষ আকৰ্ষণ আছিল জিম্‌নাষ্টিকচ্। এই বিভাগত চীন, জাপান আৰু আমেৰিকাৰ প্ৰতিযোগীৰ মাজত তীব্ৰ প্ৰতিযোগিতা হয়। কিন্তু কিছুমান বিভাগত বিশেষকৈ সাঁতোৰ, ভাৰ তোলন, চাইকেল প্ৰতিযোগিতা, বক্সিং (এই বিভাগত সমাজতান্ত্ৰিক ৰাষ্ট্ৰ কিউবাৰ শ্ৰেষ্ঠত্ব সন্দেহাতীত), জাম্পিং আদিত এই অলিম্পিকত বিশ্ব মানদণ্ড অটুট থকা নাই বুলি বহু ক্ৰীড়াবিদে মন্তব্য কৰিছে। আনহাতে ১৯৮০ চনৰ মস্কো অলিম্পিকত ফুটবল আৰু হকীৰ বাহিৰে আন আন খেল সমূহত কিন্তু নিসন্দেহে বিশ্ব মানদণ্ড অটুট আছিল।

সুদীৰ্ঘ বিৰতিৰ পিচত এইবাৰ লচ এঞ্জেলচ অলিম্পিকত যোগদান কৰি সমাজতান্ত্ৰিক চীনে অভাৱনীয় সাফল্য প্ৰদৰ্শন কৰে। এইবাৰৰ অলিম্পিকত পূব-ইউৰোপৰ দেশ সমূহৰ অনু-পস্থিতিয়ে যদিও চীনক যথেষ্ট সুযোগ দিছিল তথাপি চীনৰ স্বকীয় ক্ৰীড়া দক্ষতাক অস্বীকাৰ কৰিব নোৱাৰি। এই কেইখন দেশৰ অনুপস্থিতিয়ে আমেৰিকাকো একে সুযোগকে দিছিল যাৰ ফলত মেডেল লাভৰ তালিকাত বিশ্ব ৰেকৰ্ড স্থাপন কৰি আমেৰিকাই প্ৰথম স্থান দখল কৰে। জাপান আৰু দক্ষিণ কোৰিয়াৰ সফলতাও উল্লেখনীয়।

**ভাৰতৰ ভূমিকা**— বিশ্ব ক্ৰীড়া-মঞ্চত ভাৰতৰ স্থান নগণ্য আৰু অলিম্পিক ক্ৰীড়া-প্ৰতিযোগিতাত যোগদান ভাৰতৰ বাবে এক গতানুগতিকতাৰ বাহিৰে আন একো নহয়। সেয়ে লচ এঞ্জেলচৰ অলিম্পিকত যোগদান ভাৰতৰ বাবে বিশেষ আশা-ব্যঞ্জক নাছিল যদিও মস্কো অলিম্পিকৰ হকী চেম্পিয়ন ভাৰতীয় হকী দলটোৰ ওপৰত ভাৰতীয় মানুহে প্ৰবল আশা ৰাখিছিল। কাৰণ বাল কিষাণ সিঙৰ প্ৰশিক্ষণপ্ৰাপ্ত তৰুণ খেলুৱৈৰে গঠিত ভাৰতীয় দলটো আছিল যথেষ্ট শক্তিশালী। কিন্তু জাফৰ ইকবালৰ নেতৃত্বত খেলা ভাৰতীয় দলটোৱে সোণৰ মেডেল লাভ কৰাটো দূৰৰে কথা, কোনো-মতে পঞ্চম স্থান লাভ কৰিয়ে সন্তুষ্ট থাকিব লগীয়া হ'ল। প্ৰশিক্ষক বাল কিষাণৰ মতে ভাৰতীয় দলে উচ্চ স্তৰৰ খেল প্ৰদৰ্শন কৰা স্বত্বেও

গোল দিয়াৰ সুযোগৰ সদ্ ব্যৱহাৰ কৰিব নোৱাৰাৰ ফলত ব্যৰ্থ হবলগীয়া হয়। হকীত সোণৰ মেডেল লাভ কৰে পাকিস্থানে।

চুটিং, ভাৰতোলন, খোজকঢ়া, বক্সিং আদি প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ প্ৰতিযোগীসকল নিৰাশা আৰু ব্যৰ্থতাৰ অন্ধকাৰত ডুব গৈ থাকিলেও, মহিলা প্ৰতিযোগী দলটোৱে কিন্তু চমকপ্ৰদ আশাৰ আলো প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছিল। বৈজ্ঞানিক পদ্ধতিত প্ৰশিক্ষণপ্ৰাপ্ত পশ্চিমীয়া মহিলা খেলুৱৈ সকলৰ লগত পি টি উষা, চানি আব্ৰাহাম, বন্দনা ৰাও, বালসামা আদিয়ে তীব্ৰ প্ৰতিদ্বন্দ্বিতা গঢ়ি তুলি বিশ্ব ক্ৰীড়াঙ্গনত ভাৰতৰ মৰ্যাদাৰ ধ্বজা উৰুৱাব পাৰিছিল। এই ক্ষেত্ৰত আমি কেৱেলাৰ ২০ বছৰীয়া যুৱতী পি টি উষাৰ কথা গৌৰৱেৰে উল্লেখ কৰিব পাৰোঁ। ৪০০ মিটাৰ হাৰ্ড্‌ল-ৰেচ প্ৰতিযোগিতাত ১ ছেকেণ্ডৰ ১০০ ভাগৰ ১ কম হোৱা বাবে উষাই চতুৰ্থ স্থান লাভ কৰে আৰু পদক লাভৰ পৰা আফ্‌চোচ কৰিবলগীয়া ধৰণে বঞ্চিত হয়। অভিজ্ঞতাৰ অভাৱৰ কাৰণে উষাই এই সন্মান লাভ কৰিব নোৱাৰিলে। এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰোঁ যে ৰোম অলিম্পিকতো ভাৰতৰ উৰন্ত মিলখা সিঙে ৪০০ মিটাৰ দৌৰত ৪ৰ্থ স্থান লাভ কৰিছিল। কিন্তু তেওঁ আছিল বিদেশত প্ৰশিক্ষণপ্ৰাপ্ত। কিন্তু উষাৰ বিদেশত কোনো প্ৰশিক্ষণ নাছিল। সেয়ে উষাৰ এই সাফল্য মিলখা সিঙতকৈ বেছি চমকপ্ৰদ। তাৰ পিচত ভাৰতৰ আন উল্লেখনীয় সাফল্য হ'ল ৪০০ মিটাৰ ৰিলে-ৰেচত ভাৰতৰ চাৰিওগৰাকী মহিলাই ফাইনেলত প্ৰৱেশ কৰাটো। আমি আশা কৰিছোঁ, ১৯৮৮ চনত চিউলত হবলগীয়া অলিম্পিকত ভাৰতীয় মহিলা সকলে বিশেষকৈ উষাই ভাৰতৰ মৰ্যাদাৰ ধ্বজা তুলি ধৰিব পাৰিব।

**'৮৪ৰ ফ্ৰেণ্ডশ্বিপ্ গেমছ সম্পৰ্কে দুআষাৰ—**

সদ্যহতে ৰাছিয়াৰ নেতৃত্বত লচ এঞ্জেলচৰ অলিম্পিক বৰ্জন কৰা দেশ সমূহে মস্কোত Friendship Games অনুষ্ঠিত কৰিছে। এই খেলত প্ৰতিযোগী সকলে বহু কেইটা বিভাগত লচ এঞ্জেলচৰ অলিম্পিক অভিলেখ ভাঙি ক্ৰীড়া জগতত স্বকীয় শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছে। বিশেষকৈ বক্সিং, সাঁতোৰ আৰু চাইকেল প্ৰতিযোগিতাত এই কেইখন দেশে কেইবাটাও বিশ্ব ৰেকৰ্ড স্থাপন কৰিছে আৰু '৮৪ অলিম্পিকৰ প্ৰথম স্থান বিজয়ী আমেৰিকাৰ সাফল্যক প্ৰকাৰন্তৰে প্ৰত্যাহ্বান জনাইছে।

সদ্যহতে অলিম্পিকৰ সংগঠক সকলে অলিম্পিকক ৰাজনীতিৰ কবলৰ পৰা মুক্ত কৰাৰ কাৰণে সক্ৰিয় হৈ উঠিছে আৰু ১৯৮৮ চনত চিউলত অনুষ্ঠিত হবলগীয়া অলিম্পিকত যাতে সকলো দেশে অংশ গ্ৰহণ কৰে তাৰ বাবে প্ৰচেষ্টা চলাইছে। তদুপৰি, বিশ্বৰ কিছুমান দেশে অলিম্পিকক সম্পূৰ্ণভাবে ৰাজনীতিৰ পৰা মুক্ত কৰাৰ উদ্দেশ্যে অলিম্পিকৰ জন্মদাত্ৰী গ্ৰীচত স্থায়ীভাৱে অলিম্পিক অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দাঙি ধৰিছে। আমি আশা কৰিছোঁ, অলিম্পিক ৰাজনীতিৰ কলুষিত কবলৰ পৰা মুক্ত হওক আৰু বিশ্ব মানৱৰ মাজত ভাতৃত্বৰ বান্ধোন কট্‌কটীয়া কৰাত অলিম্পিকে যোগাওক আশানুৰূপ অবিহণা। ●●

# প্ৰুডেন্সিয়েল কাপ আৰু ভাৰত

শ্ৰীযোগেন নাথ
২য় বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়।

১৯৮৩ চনৰ ২৫ জুন তাৰিখে নিশা ১১ বাজি ৪৫ মিনিট যোৱাৰ লগে লগে বিশ্ব ক্ৰিকেটৰ ক্ষেত্ৰত ভাৰতে ৱেষ্ট ইণ্ডিজক হৰুৱাই লাভ কৰা সাফল্যই প্ৰতিজন ক্ৰিকেটপ্ৰেমী ভাৰতীয়ৰে হিয়া জুৰ পেলাই যায়।

**প্ৰুডেন্সিয়েল কাপৰ জন্ম:** ইংলেণ্ডৰ প্ৰুডেন্সিয়েল কোম্পানীয়ে ১৯৭২ চনত "ক্ষুদ্ৰ টেষ্ট" (মিনি টেষ্ট) আৰম্ভ কৰি ১৯৭৫ চনৰ জুন মাহৰপৰা বৃহৎ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ কৰে। এই প্ৰতিযোগিতা প্ৰত্যেক চাৰি বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত কৰা হয়। বৰ্তমানলৈ এই খেল তিনিবাৰ অনুষ্ঠিত হৈ যায়। এইখিনিতে উল্লেখনীয় যে ১৯৭৫ আৰু ১৯৭৯ চনৰ খেল দুখনৰ চেম্পিয়ন হৈছিল ৱেষ্ট ইণ্ডিজে আৰু দুয়োখন খেলৰে নেতৃত্ব কৰিছিল ক্লাইভ লয়ডে।

**আৰ্থিক দিশ:** প্ৰুডেন্সিয়েল কাপৰ প্ৰতিখন খেলতে 'মেন অফ দি মেটচ'ৰ পুৰস্কাৰ থাকে। প্ৰতিটো দলৰ অহা-যোৱা আৰু থকা খোৱাৰ সম্পূৰ্ণ ব্যয় বহন কৰে প্ৰতিযোগিতাৰ ব্যৱস্থাপক সকলে। আই. চি. চি. (I. C. C.)ৰ পূৰ্ণ সদস্য দেশসমূহে অৰ্থাৎ ৱেষ্ট ইণ্ডিজ, ভাৰত পাকিস্থান, শ্ৰীলঙ্কা, ইংলেণ্ড অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডে 'গেৰাণ্টিমানি' হিচাপে চাৰে আঠ লাখ টকাকৈ পায়। অৱশ্যে জিম্বাব'ৱে ৪৭ হাজাৰ টকাহে পায়। চেম্পিয়ন হোৱা দলটোৱে ২০,০০০ পাউণ্ড (৩০,০০০ ডলাৰ) আৰু বাণাচ আপ হোৱা দলটোৱে ১০,০০০ পাউণ্ড (১৫ ০০০ ডলাৰ) পায়।

**প্ৰতিযোগিতাৰ নিয়ম:** এই বিশ্বকাপ ক্ৰিকেটৰ বাবে কিছুমান নতুন নিয়ম প্ৰৱৰ্তন কৰা হৈছে। প্ৰতিটো দলে ৬০ ওভাৰ কৈ খেলিব আৰু খেল হ'ব এদিনীয়া। বৰষুণ হ'লে পিটছ ঢাকি ৰখাৰ ব্যৱস্থা কৰা হয় আৰু কোনো বাউলাৰে ১০ ওভাৰতকৈ বেছি বল দিব নোৱাৰে। যদি দুয়ো দলৰ ৰাণ সমান হয় আৰু সেই অৱস্থাতে খেলখন শেষ হয়, তেনেহ'লে যি দলে কম উইকেট হেৰুৱায় সেই দলকে বিজয়ী বুলি ঘোষণা কৰা হয়। যদি দুয়োটা দলে সকলো উইকেট হেৰুৱাই সমান ৰাণ কৰে অৰ্থাৎ খেলখন টাই' হয়, তেনেহ'লে সামগ্ৰিক 'স্ক'ৰিংৰেট'ৰ ভিত্তিত জয়-পৰাজয়ৰ মীমাংসা কৰা হয়। যি কোনো অৱস্থাতে বিজয়ী হোৱা দলে ৪ পইণ্ট লাভ কৰে।

**তৃতীয় প্ৰুডেন্সিয়েল কাপৰ চমু বিৱৰণ:** ১৯৮৩ চনৰ ৯ জুনৰপৰা ২৫ জুনলৈ ইংলেণ্ডত অনুষ্ঠিত হৈছিল তৃতীয় প্ৰুডেন্সিয়েল কাপ প্ৰতিযোগিতাৰ খেলসমূহ। এইবাৰৰ খেলৰ 'এ'

গ্ৰুপত আছিল ইংলেণ্ড, পাকিস্থান, নিউজিলেণ্ড আৰু শ্ৰীলঙ্কা। 'বি' গ্ৰুপত আছিল ৱেষ্ট ইণ্ডিজ, ভাৰত, অষ্ট্ৰেলিয়া আৰু জিম্বাবৱে। খেলবোৰ ডবল লীগ ভিত্তিত অনুষ্ঠিত হৈছিল। ডবল লীগৰ খেলসমূহ ৯ জুনত আৰম্ভ হৈ ২০ জুনত শেষ হয়। 'এ' গ্ৰুপৰপৰা ইংলেণ্ডে ২০ পইণ্ট আৰু পাকিস্থানে ১৬ পইণ্ট আৰু 'বি' গ্ৰুপৰ পৰা ৱেষ্ট ইণ্ডিজে ২০ পইণ্ট আৰু ভাৰতে ১৬ পইণ্ট পাই ছেমি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে।

ছেমি ফাইনেলখন অনুষ্ঠিত হৈছিল ২২ জুনত। এফালে ইংলেণ্ড আৰু ভাৰত আৰু আনফালে ৱেষ্ট ইণ্ডিজ আৰু পাকিস্থান। ইংলেণ্ডে বেট ধৰি গোটেই কেইটা উইকেটৰ বিনিময়ত মাত্ৰ ২১৩ ৰাণ সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইংলেণ্ডৰ ২১৩ ৰাণৰ প্ৰত্যুত্তৰত ভাৰতে ৪ উইকেটৰ বিনিময়ত ২১৭ ৰাণ সংগ্ৰহ কৰি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে। আনখন ছেমি ফাইনেলত পাকিস্থানে বেট ধৰি আটাইকেইটা উইকেটৰ বিনিময়ত মাত্ৰ ১৮৪ ৰাণ সংগ্ৰহ কৰে। পাকিস্থানৰ ৰাণৰ বিপৰীতে ৱেষ্ট ইণ্ডিজে বেট ধৰি হেলাৰঙে ২ উইকেটৰ বিনিময়ত সেই স্কোৰ অতিক্ৰম কৰি ফাইনেলত প্ৰবেশ কৰে।

২৫ জুন। এই তাৎপৰ্যপূৰ্ণ দিনটোতে ইংলেণ্ডৰ বিশ্ববিখ্যাত লৰ্ড খেল পথাৰত প্ৰুডেন্সিয়েল কাপৰ চূড়ান্ত মীমাংসাৰ বাবে মুখামুখি হৈছিল ভাৰত আৰু ৱেষ্ট ইণ্ডিজ। সকলোৰে মনত এটাই প্ৰশ্ন: আগৰ দুবাৰৰ চেম্পিয়ন ৱেষ্ট ইণ্ডিজ দলে ক্লাইভ লয়ডৰ নেতৃত্বত ভাৰতক পৰাস্ত কৰি 'হেট্ৰিক' কৰিব পাৰিবনে নাই? নে 'ডাৰ্ক হৰ্চ' বুলি উপলুঙাৰ পাত্ৰ হোৱা ভাৰতে ক্লাইভ লয়ডৰ apple cart ওলোটাই দিব?

'টচ'ত জিকি ৱেষ্ট ইণ্ডিজৰ অধিনায়ক ক্লাইভে ভাৰতক বেট ধৰিবলৈ দিয়ে। ৱেষ্ট ইণ্ডিজৰ দুৰ্ধৰ্ষ 'বলিঙ'ৰ আগত ভাৰতৰ সকলো কেইটা উইকেট ১৮৩ ৰাণত 'আউট' হৈ যায়। তাৰ পিছত ৱেষ্ট ইণ্ডিজে বেট ধৰিবলৈ লয়। কিন্তু ভাৰতীয় দলৰ কটকটীয়া ফিল্ডিং আৰু সুন্দৰ 'বলিঙ'ৰ আগত ১৪০ ৰাণত ৱেষ্ট ইণ্ডিজৰ সকলোকেইটা উইকেটৰ পতন ঘটে আৰু ৪৩ ৰাণত ভাৰতে ৱেষ্ট ইণ্ডিজক পিচ পেলাই তৃতীয় প্ৰুডেন্সিয়েল কাপ বিজয়ীৰ সন্মান লাভ কৰে। যিজন মানুহৰ উল্লেখযোগ্য ভূমিকাই ভাৰতৰ জয় লাভত বিশেষ অৰিহণা যোগাই 'মেন অফ্ দি মেটচ' আৰু 'মেন অফ্ দি চিৰিজ'ৰ সন্মানেৰে বিভূষিত হৈছিল তেওঁ আছিল মহিন্দৰ অমৰ নাথ।

বিশ্ব ক্ৰিকেট প্ৰতিযোগিতাত কৰা জয় লাভে এই কথা প্ৰমাণ কৰি দিলে যে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া জগতত যোগ্য স্থান লাভ কৰিবৰ বাবে ভাৰতীয় খেলুৱৈৰ প্ৰতিভাৰ অভাৱ নাই। আমি আশা কৰিছোঁ, ভাৰতত অনুষ্ঠিত হ'বলগীয়া চতুৰ্থ প্ৰুডেন্সিয়েল কাপ প্ৰতিযোগিতাতো ভাৰতীয় খেলুৱৈয়ে এই সন্মান অক্ষুণ্ণ ৰাখিব।

●●

# ১৯৮৩-৮৪ ইং চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন।


সূৰ্যসম অনল শিখাৰে বৰলুইতৰ দুয়োপাৰে জ্বলি উঠা অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বুকুৰ কেঁচা তেজ ঢালি আত্মাহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদ সকললৈ পাতনিতে মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

সাধাৰণ সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদনৰ আদিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে আমাৰ মাজৰ ঐক্য সংহতি অটুট ৰাখি ১৯৮৩-৮৪ ইং চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰি এই মহান অনুষ্ঠানখনলৈ সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিয়া হেতু সহপাঠী বন্ধু-বান্ধৱী সকললৈ মোৰ অকৃত্ৰিম প্ৰীতি ভৰা ওলগ জনাইছোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৩-৮৪ ইং চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" ৮৩ চনৰ ২৬ ডিচেম্বৰৰ পৰা ৩১ ডিচেম্বৰলৈ বিভিন্ন কাৰ্য্য-সূচীৰে পালন কৰা হয়। ২৬ ডিচেম্বৰৰ ৰাতিপুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথদেৱে পতাকা উত্তোলন কৰি মহাবিদ্যালয় সপ্তাহৰ কাৰ্য্য-ক্ৰমণিকা মুকলি কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহায় সহযোগত সপ্তাহ জুৰি মহাবিদ্যালয় চৌহদ উৎসৱ মুখৰ হৈ উঠে। বিভিন্ন প্ৰতিযোগিতাত বিজয়ী হোৱা প্ৰতিযোগীসকলক ৩১ ডিচেম্বৰৰ মুকলি সভাত প্ৰমাণপত্ৰ সহ বঁটা বিতৰণ কৰা হয়। উক্ত মুকলি সভাত সভাপতিত্ব কৰে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে। মুখ্য অতিথি হিচাপে পাণ্ডু মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ প্ৰবীণ চন্দ্ৰ শৰ্মা, বিশিষ্ট অতিথি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰধান ভাৰতীয় ভাষা ( M. I. L ) বিভাগৰ অধ্যাপক ডঃ বাণীকান্ত শৰ্মা আৰু নিৰ্দিষ্ট বক্তা হিচাপে শিল্পী সাহিত্যিক শ্ৰীযুত নাৰায়ণ বেজবৰুৱাদেৱে যোগদান কৰে। আমাৰ মাজলৈ আহি ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি বহুমূলীয়া ভাষণ আগবঢ়োৱাৰ লগতে মুকলি সভাখন সফল কৰাত অবিহণা যোগোৱা হেতু এই মহান ব্যক্তি কেইগৰাকীলৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**সৰস্বতী পূজা ঃ** চলিত অসম আন্দোলনৰ প্ৰবল বতাহৰ কাৰণে পৰম্পৰাগতভাৱে পালন কৰি অহা সৰস্বতী পূজা অন্যান্য বছৰৰ দৰে এইবাৰ জাক জমকতাৰে পালন কৰিব পৰা নহ'ল যদিও ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠিপীয়াকৈ দেৱীৰ চৰণত যথাবিহিতভাৱে নৈবেদ্য সমন্বিতে পুষ্পাঞ্জলি আগবঢ়ায়।

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি— ১৯৮৩-৮৪ চন।



বহি —(বাওঁফালৰ পৰা) সৰ্বশ্ৰীনৰেন্দ্ৰ কুমাৰ ৰাভা (সাধাৰণ সম্পাদক, অধ্যাপক দিলীপ দাস (তত্ত্বাৱধায়ক, আলোচনী), অধ্যাপক খগেশ সেন ডেকা তত্ত্বাৱধায়ক, ক্ৰীড়া বিভাগ। অধ্যাপক বসন্ত দত্ত (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ সভাপতি), অধ্যাপক দ্বিজেন দাস (তত্ত্বাৱধায়ক, তৰ্ক আলোচনা চক্ৰ), অধ্যাপিকা জয়শ্ৰী ভূঞা (তত্ত্বাৱধায়িকা. ছাত্ৰী জিৰণি কোঠা), অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰ (তত্ত্বাৱধায়ক. সমাজ সেৱা), ধীৰেন্দ্ৰ চৌধুৰী (শ্ৰেণী প্ৰতিনিধি, ২য় বাৰ্ষিক স্নাতক)।

থিয় হৈ - (বাওঁফালৰ পৰা) সৰ্বশ্ৰীকনক দাস (কাৰ্যালয় সহকাৰী), অৱনী কান্ত অধিকাৰী (সম্পাদক, জৱাহৰ জ্যোতি'), অমিয়া নাৰ্জাৰী (শ্ৰেণী প্ৰতিনিধি, ২য় বাৰ্ষিক প্ৰা. বি বি.), ভৈৰৱী চৌধুৰী (সম্পাদিকা তৰ্ক-আলোচনা চক্ৰ), বলিত ৰাভা (সম্পাদক, ক্ৰীড়া বিভাগ. ভূষণ ঠাকুৰীয়া (শ্ৰেণী প্ৰতিনিধি, ১ম বাৰ্ষিক, প্ৰা. বি বি.), দিলীপ মজুমদাৰ (সম্পাদক ছাত্ৰ জিৰণি কোঠা), যোনাথন মাৰাক (সম্পাদক. সাংস্কৃতিক বিভাগ), ত্ৰৈলোক্য কলিতা (সম্পাদক, সমাজ সেৱা), মহেশ দাস (চৌকিদাৰ।

(অনুপস্থিত থকা বাবে সমিতিৰ আন কেইগৰাকীমান সদস্য ফটোত নাই)

**বিদায় সভা ঃ** ১৯৮৩-৮৪ ইং চনৰ স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষা দি মহাবিদ্যালয় পৰ্য্যায়ৰ পাঠ্যক্রম সমাপ্ত কৰা বন্ধু-বান্ধৱী বৰ্গলৈ মহাবিদ্যালয়ৰ তৰফৰ পৰা ১৯-৩-৮৪ ইং তাৰিখে আনুষ্ঠানিক ভাৱে বিদায় সম্ভাষণ জনোৱা হয়।

**শোক সভা ঃ** সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণৰ দ্বিতীয় দিনাই অসমৰ চলিত গণ-আন্দোলনৰ এক গুৰুত্বপূৰ্ণ কাৰ্যসূচী সফল কৰিবলৈ আগবাঢ়ি অহা সুশিল্পী, গীতিকাৰ, সুকণ্ঠী গায়ক নলিনী কুমাৰ চৌধুৰীৰ শোকাবহ, অকাল, অস্বাভাৱিক মৃত্যুত শ্ৰদ্ধা জনাই এক শোক সভাৰ আয়োজন কৰা হয়। ইয়াৰ পিচত আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী কৃতী অধ্যাপক দীনেশ চন্দ্ৰ শৰ্মা চাৰ আৰু উদীয়মান ছাত্ৰী বান্ধৱী সভ্যা ৰাভাৰ অকাল মৃত্যুত আন দুখন শোক সভাৰে গভীৰ দুখ প্ৰকাশ কৰা হয়। প্ৰখৰ কণ্ঠস্বৰেৰে আৰু মুদ্ৰা সম্বলিত বক্তব্যৰে পাঠ দান কৰা আমাৰ অতি মৰমৰ আৰু শ্ৰদ্ধাভাজন অধ্যাপক দীনেশ চন্দ্ৰ শৰ্মা চাৰৰ মৃত্যুৰ শোক আমি কোনো দিনে পাহৰিব নোৱাৰোঁ। চাৰৰ আদ্য-শ্ৰাদ্ধ যথাসময়ত ৰীতিগত ভাৱে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি গৃহত বিভিন্ন ধৰ্মগ্ৰন্থি পাঠ আৰু নাম প্ৰসংগেৰে পালন কৰা হৈছিল। ইয়াৰ উপৰিও অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত বহুজনৰ দৰে প্ৰাণ আহুতি দিয়া চামতাৰ কামৰূপ কলেজৰ ছাত্ৰ শ্বহীদ সুভাষ চন্দ্ৰ শৰ্মা আৰু বৰপেটাৰ মাধৱ চৌধুৰী কলেজৰ ছাত্ৰ শ্বহীদ গৰ্গেশ্বৰ পাঠকৰ কৰুণ মৃত্যুত আন দুখন শোক সভাৰে আন্তৰিক শ্ৰদ্ধা জনোৱা হয়।

**অভাৱ-অভিযোগ ঃ** আমাৰ অভাৱ অভিযোগৰ তালিকাখন যথেষ্ট দীঘল। ইয়াত কেইটা-মানহে দোহাৰিব খুজিছোঁ— কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যেৰে। আমাৰ আশা, আমাৰ এই যুক্তি সঙ্গত অভাৱ অভিযোগ সমূহ কৰ্তৃপক্ষই সহৃদয়তাৰে বিবেচনা কৰি অনতিপলমে পূৰণ কৰাৰ ব্যৱস্থা কৰিব।

আমাৰ প্ৰধান অভাৱ হ'ল শিক্ষা বিষয়ক। ১৯৬৪ চনত ঘাটি মঞ্জুৰী পোৱা আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰ অকল কলা শাখাৰ কেইটামান বিষয়কলৈ আবদ্ধ হৈ থকাটো বৰ দুৰ্ভাগ্যজনক। আমাৰ অনুৰোধ— কলা বিষয়ৰ আন আন বিষয় কেইটা প্ৰৱৰ্তন কৰাৰ উপৰিও যেন অনতিপলমে ইয়াত বিজ্ঞান আৰু বাণিজ্য শাখা দুটাও প্ৰৱৰ্তন কৰে— যাতে আমাৰ পিচপৰি থকা জনজাতীয় অঞ্চলৰ গৰীৱ ছাত্ৰ-ছাত্ৰী সকলে নিজৰ ৰুচি আৰু প্ৰতিভা অনুযায়ী এই মহাবিদ্যালয়তে কলাৰ লগতে এই দুটা শাখাতো শিক্ষা গ্ৰহণ কৰি স্বকীয় প্ৰতিভাৰ স্ফুৰণ ঘটাব পাৰে।

আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো সৰু কোঠাটোৰ পৰা এটি আহল-বহল কোঠালৈ স্থানান্তৰিত কৰিব লাগে আৰু পুথিভঁৰালৰ লগতে ছাত্ৰ-ছাত্ৰীয়ে অৱসৰ সময়ত অধ্যয়ন কৰিব

পৰাৰ ব্যৱস্থা কৰিব লাগে। দূৰ দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে একোটাকৈ ছাত্ৰাবাস আৰু ছাত্ৰীবাস আৰু সভা সমিতি আদি পতাৰ বাবে প্ৰেক্ষাগৃহৰ ব্যৱস্থা অনতিপলমে কৰি দিব লাগে। ছাত্ৰ জিৰণি গৃহৰ চিলিং আৰু দুৱাৰ খিৰিকিবোৰত ৰং আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু এটা শৌচাগাৰ আৰু প্ৰস্ৰাৱখানা নিৰ্মাণ কৰি দিব লাগে। ছাত্ৰীসকলৰ বাবে এটি আহল-বহল জিৰণি কোঠা সাজি দি বহুদিন ধৰি ভুগি থকা ছাত্ৰীসকলৰ এই অভাৱটো পূৰণ কৰিব লাগে। লগতে ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা দুটাত ক্ৰমেও একোটাকৈ ফিল্টাৰৰ ব্যৱস্থা কৰিব লাগে। মহাবিদ্যালয়ৰ কাৰ্যালয়তে আৱদ্ধ হৈ থকা বিজুলী সৰবৰাহ শ্ৰেণী কোঠা, ছাত্ৰ ছাত্ৰীৰ জিৰণি কোঠালৈ সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা কৰিব লাগে। ভূগোল আৰু নৃতত্ত্ব বিষয়ৰ উপযুক্ত পৰীক্ষাগাৰৰ ব্যৱস্থা কৰি ছাত্ৰ-ছাত্ৰীৰ অসুবিধা আঁতৰ কৰিব লাগে। ইয়াৰ লগতে শ্ৰেণী কোঠাৰ অভাৱো উল্লেখযোগ্য। আমি আশা ৰাখিছোঁ, মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই মুখ্য পাঠদান গৃহৰ গাতে লগাই সাজি থকা কোঠা দুটা যেন অতি সোনকালে সম্পূৰ্ণ কৰি আমাৰ বহুদিনীয়া অভাৱটো পূৰণ কৰে। মহাবিদ্যালয়ৰ চৌহদৰ বাকী থকা সীমা দুটাত কাটাতাঁৰৰ বেৰ দি প্ৰৱেশ দ্বাৰৰ ব্যৱস্থা কৰিব লাগে। সৰ্বশেষত মহাবিদ্যালয় চৌহদত বিশৃঙ্খলভাৱে থৈ থোৱা হোৱা চাইকেল সমূহ শৃঙ্খলাবদ্ধভাবে ৰাখিবলৈ এটি চাইকেল ষ্টেণ্ড অনতিপলমে সাজি দিব লাগে।

**কৃতজ্ঞতা স্বীকাৰ:** ছাত্ৰ-ছাত্ৰীসকলৰ পূৰ্ণ সহযোগত যোৱা ৮৩ চনৰ ১৩ ডিচেম্বৰ তাৰিখে মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ উৎসাহেৰে গ্ৰহণ কৰিছিলোঁ। এই দায়িত্ব-গধুৰ কাৰ্যভাৰ গ্ৰহণ কৰি কাৰ্যকালৰ সকলো কাৰ্যকৰী দিশত সাহসেৰে আগবাঢ়ি যাবলৈ উক্তদিনাৰ পৰাই মনত দৃঢ়তা পোষণ কৰিছিলো। সমস্যা জৰ্জৰিত মহাবিদ্যালয়খনৰ অভাৱ অভিযোগ পূৰণৰ অৰ্থে কাৰ্যকালৰ সময় ছোৱাত যৎপৰোনাস্তি চেষ্টা কৰা হৈছিল। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা মোৰ দায়িত্ব পালনত চেষ্টাৰ ত্ৰুটি কেতিয়াও কৰা নাছিলো। ছাত্ৰ একতা সভাৰ কাম পৰিচালনা কৰাত আৰু লগতে অসমৰ সাম্প্ৰতিক বিদেশী বিতাৰণৰ গণ-আন্দোলনৰ কাৰ্যসূচী সফল কৰাত যি সকল বন্ধু-বান্ধৱীয়ে আন্তৰিকতাৰে সহায় কৰিছিল তেওঁলোকলৈ মোৰ অকৃত্ৰিম ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ লগতে 'জৱাহৰ জ্যোতি'ৰো দীৰ্ঘায়ু কামনা কৰি মোৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত মৰিষণ বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। 'জয় আই অসম'

শ্ৰীনৰেন্দ্ৰ কুমাৰ ৰাভা, সাধাৰণ সম্পাদক।
জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

## খেল বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৮৩–৮৪ চনৰ নিৰ্বাচনত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে মহাবিদ্যালয়ৰ খেলবিভাগৰ সম্পাদক ৰূপে ছাত্ৰ-ছাত্ৰীক সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

খেলবিভাগৰ সম্পাদক এজনৰ দায়িত্ব আৰু কৰ্তব্য বহুত। তেনে দায়িত্ব আৰু কৰ্তব্য পালনত মই কিমানখিনি অগ্ৰসৰ হব পাৰিছোঁ সেয়া আপোনালোকে বিচাৰি লব।

খেল-ধেমালি শিক্ষাৰ এক অবিচ্ছেদ্য অঙ্গ। সেইবাবেই হয়তো খেল-ধেমালিৰ জনপ্ৰিয়তা সমগ্ৰ বিশ্বতে ক্ৰমান্বয়ে বাঢ়ি আহিছে। এই জনপ্ৰিয়তাৰ লগতে খেল-ধেমালি সম্পৰ্কীয় এক সাহিত্যও গা কৰি উঠিছে। শৰীৰৰ পৰিপুষ্টি সাধনৰ লগতে খেল-ধেমালিয়ে মানুহৰ মানসিক উৎকৰ্ষ সাধনতো যথেষ্ট সহায় কৰে। ইয়াৰ যোগেদি নিজৰ দেশৰ উন্নতি সাধন কৰাৰ লগতে বিশ্ববাসীৰ সৈতে পৰিচয় হোৱাৰো সুযোগ ঘটে। কৃতী খেলুৱৈ এজনে নিজক প্ৰতিষ্ঠা কৰাৰ লগতে নিজৰ দেশখনৰ গৌৰৱৰ কাৰণো হয় আৰু বিশ্ববাসীৰ সতে সম্বন্ধ স্থাপনত যথেষ্ট বৰঙণি আগবঢ়ায়। আমাৰ ছাত্ৰ-ছাত্ৰীসকলে তেনে আদৰ্শৰে অনুপ্ৰাণিত হৈ খেলা-ধূলাত অংশ গ্ৰহণ কৰিলে নিজৰ আৰু দেশৰ মঙ্গল আশা কৰিব পৰা যায়।

**আমাৰ মহাবিদ্যালয় সপ্তাহ :** এইবেলি ২৬ ডিচেম্বৰ '৮৪ ইং তাৰিখৰ পৰা উলহ-মালহেৰে "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। এই মহাবিদ্যালয় সপ্তাহত বাৰ্ষিক ক্ৰীড়া সমাৰোহো গাম্ভীৰ্যৰে সৈতে পালন কৰা হয়। ক্ৰীড়া প্ৰতিযোগীসকলে সকলোবোৰ খেলতে আনবেলিতকৈ এইবেলি বহু আগ্ৰহেৰে আগবাঢ়ি আহি অংশ গ্ৰহণ কৰি যথেষ্ট উন্নত খেল প্ৰদৰ্শন কৰে আৰু মহাবিদ্যালয়ৰ প্ৰায় ভাগ ক্ৰীড়া প্ৰেমী ছাত্ৰ–ছাত্ৰীয়ে খেল পথাৰত উপস্থিত থাকি খেলুৱৈ সকলক উৎসাহ উদ্দীপনা যোগায়। শ্ৰেণী ভিত্তিক 'ভলীবল' প্ৰতিযোগিতাৰ চূড়ান্ত খেলখেলা প্ৰাক্ বিশ্ববিদ্যালয় ২য় বাৰ্ষিক আৰু স্নাতক মহলা ২য় বাৰ্ষিকৰ মাজত বেছ আকৰ্ষণীয় ভাৱে অনুষ্ঠিত হয়। হাই জাম্পত সীতা বড়ো আৰু প'লভল্টত ধীৰেণ কলিতাৰ সুন্দৰ ক্ৰীড়া-কৌশল দেখা যায়। শ্ৰেণী ভিত্তিক কাবাডি প্ৰতিযোগিতাৰ ছোৱালীৰ খেল সমূহ বিশেষ কাৰণত বাতিল কৰিবলগীয়া হয়। যোৱা বছৰৰ শ্ৰেষ্ঠ ক্ৰীড়া প্ৰতিযোগীদ্বয় বিষ্ণু বড়ো আৰু বুলুৰাণী দাসে এইবেলিও শ্ৰেষ্ঠ ক্ৰীড়া প্ৰতিযোগী হোৱাটো গৌৰৱৰ কথা।

**কৃতজ্ঞতা জ্ঞাপন :** মোৰ কাৰ্যকালছোৱাত মোৰ দায়িত্ব পালনত সহায় কৰা সকলৰ ওচৰত

মই চিৰ কৃতজ্ঞ হৈ থাকিবই লাগিব। সেই সকলৰ ভিতৰত খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীখগেশ সেন ডেকা চাৰ আৰু ক্ৰীড়াপ্ৰেমী অধ্যাপক মাননীয় শ্ৰীমদন চন্দ্ৰ কাকতিদেৱে নিচেই কাষতে থাকি দিয়া বহুমূলীয়া উপদেশ, পৰামৰ্শই মোৰ কাৰ্যকালত এক চিৰস্মৰণীয় অৰিহণা যোগালে। তদুপৰি মোৰ কাম সমূহ সুচাৰুৰূপে পৰিচালনা কৰাত যি সকল অধ্যাপক-অধ্যাপিকাই অৰিহণা যোগালে তেখেত সকললৈও মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ উপৰিও মোৰ কাৰ্যকালত বিভিন্ন ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাসকল, প্ৰাক্তন ক্ৰীড়া সম্পাদক শ্ৰীগণেশ কলিতা ( ককাইদেউ স্বপন ডুবৰা, কমল পাঠক, নৱ দাস, দেবেন বড়ো, ধীৰাজ মহন্ত, জীতেন নাথ জীনা দাস আৰু ৰঞ্জন ৰাভা ( বন্ধুবৰ ) শুক্ৰেশ্বৰ, বিষ্ণু, নৱ, বিজয়, ৰাণা, সীতা, শিবেন্দ্ৰ (ভাইটি ইন্দ্ৰেশ্বৰ, ( বান্ধৱী ) হিৰু দিপা, ( ভণ্টি ) ৰুণু, বুলু, ৰীতা মলয়া, নিলীমা আৰু অন্যান্য ক্ৰীড়ানুৰাগী বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত মোৰ অজানিত দোষ-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মহাবিদ্যালয়ৰ খেল বিভাগৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদন সামৰিলোঁ।

শ্ৰীবলীত চন্দ্ৰ ৰাভা
সম্পাদক, খেল বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন —

প্ৰতিবেদনৰ পাতনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৩-৮৪ চনৰ সাংস্কৃতিক সম্পাদক হিচাপে মোক সেৱা অৰ্পণ আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কৃষ্টি-সংস্কৃতি মানুহৰ মাজত ঐক্যৰ এনাজৰিডাল কটকটীয়া কৰাত কিমান সহায়ক তাক আমি সকলোৱে অনুভৱ কৰোঁ। সংস্কৃতি হ'ল গণ জীৱনৰ সম্পদ। গণ জীৱনক কেন্দ্ৰ কৰিয়েই সংস্কৃতি গঢ়ি উঠে আৰু জীয়াই থাকে। ভাৰতবৰ্ষৰ সুমলীয়া জী অসমী আইৰ চিৰ সেউজীয়া ভূমিত কৃষ্টি-সংস্কৃতিৰ যেন এক মধুৰ মিলন ঘটিছে। সৰু সৰু জুৰি, নিজৰা, নৈ আৰু উপনৈ

লগহৈ বিদৰে বিশালতা লাভ কৰে ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ বিভিন্ন কৃষ্টি-সংস্কৃতিয়ে এক লগহৈ এক মধুৰ সমন্বয়ৰ সৃষ্টি কৰিছে। বৰ্ত্তমান যুগ হ'ল প্ৰতিযোগিতাৰ যুগ। সকলো দিশতে নিজকে আগৰণুৱা হিচাপে প্ৰতিপন্ন কৰিবলৈ সকলোৰে লক্ষ্য। এনে ক্ষেত্ৰত আজিৰ ছাত্ৰ-ছাত্ৰীয়েও কেৱল অধ্যয়নতে আৱদ্ধ নাথাকি আন আন দিশৰ উপৰিও সাংস্কৃতিক দিশতো সমানে খোজ মিলাই যাবলৈ ধৰিছে। বহুতো ছাত্ৰ ছাত্ৰীয়ে অধ্যয়নৰ উপৰিও সাংস্কৃতিক দিশত যেনে - সঙ্গীত, নৃত্য, বাদ্যযন্ত্ৰ, হস্তশিল্প আদিত স্বকীয় প্ৰতিভাৰ উচ্চ চানেকি দিবলৈ সক্ষম হৈছে। অৱশ্যে সকলো ক্ষেত্ৰতে কৃতকাৰ্য হবলৈ সাধনা আৰু একাগ্ৰতাৰ নিতান্ত প্ৰয়োজন।

এই খিনিতে মই মোৰ কাৰ্যকালত অনুষ্ঠিত হোৱা বছৰেকীয়া মহাবিদ্যালয় সপ্তাহৰ বিষয়ে দুষাৰ কবলৈ বিচাৰিছোঁ। মই সাংস্কৃতিক সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। উল্লেখিত মহাবিদ্যালয় সপ্তাহ ২৬-১২-৮৩ ইং তাৰিখৰ পৰা ৩১-১২-৮৩ ইং তাৰিখলৈ উলহ-মালহেৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহত আয়োজন কৰা সাংস্কৃতিক বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি নিজ নিজ প্ৰতিভাৰ পৰিচয় দিয়ে।

সঙ্গীত বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত শাস্ত্ৰীয় সঙ্গীতৰ প্ৰতিযোগীয়ে যোগ দিয়ে। শাস্ত্ৰীয় সঙ্গীত প্ৰতিযোগিতাত প্ৰতিযোগী তাকৰ সংখ্যক হোৱাটো বৰ পৰিতাপৰ কথা। যিহেতু শাস্ত্ৰীয় সঙ্গীতেই সঙ্গীতৰ মূল মন্ত্ৰ, যাৰ অবিহনে সঙ্গীত সাধনা ব্যৰ্থ, সেয়েহে শাস্ত্ৰীয় সঙ্গীতৰ প্ৰতি অমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী ( সঙ্গীত অনুৰাগী ) সকল ভৱিষ্যতে আগৰণুৱা হব বুলি আশা কৰিলোঁ।

মহাবিদ্যালয় সপ্তাহত একাংকিকা নাট প্ৰতিযোগিতা প্ৰতিযোগী দলৰ অভাৱত বাতিল কৰিব লগা হোৱাটো দুখ লগা। প্ৰতিযোগী দলৰ অভাৱৰ মূলতে আছিল মহাবিদ্যালয়ত স্থায়ী প্ৰেক্ষাগৃহৰ অভাৱ, আগন্তুক বাছনি পৰীক্ষা আৰু দূৰৰ পৰা অহা ছাত্ৰ ছাত্ৰীৰ যাতায়াতৰ অসুবিধা। এইখিনিতে স্থায়ী প্ৰেক্ষাগৃহৰ অভাৱ পূৰণ কৰিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

আনহাতে এইবাৰ পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা প্ৰদৰ্শনী প্ৰতিযোগিতা আছিল মহাবিদ্যালয় সপ্তাহৰ এটা আকৰ্ষণীয় দিশ। এই প্ৰদৰ্শনী প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰা হস্তশিল্প, হাতে অঁকা ছবি, বয়ন শিল্প, ছিলাই আদিত বহুতো প্ৰতিযোগীয়ে যোগদান কৰি তেওঁলোকৰ কলা সুলভ প্ৰতিভাৱে প্ৰদৰ্শনীখন অতি ৰমণীয় কৰি তুলিছিল। বিশেষকৈ

বয়ন শিল্পত উন্নত কলা প্ৰদৰ্শন কৰিবলৈ প্ৰতিযোগী সকল সক্ষম হয়। প্ৰদৰ্শনীখনত এই অঞ্চলৰ জাতীয় জীৱন সম্পূৰ্ণভাৱে প্ৰস্ফুটিত হৈ উঠে। আনহাতে এটা মন কৰিবলগীয়া কথা হ'ল, ছোৱালী প্ৰতিযোগীতকৈ ল'ৰা প্ৰতিযোগীয়ে বয়ন শিল্পত উন্নত মানৰ পৰিচয় দি প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়। মোৰ পৰৱৰ্ত্তী বিভাগীয় সম্পাদকে যেন এই প্ৰদৰ্শনী প্ৰতিযোগিতাখনত ভৱিষ্যতে আৰু অন্যান্য বিষয়ৰ প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰি ইয়াক অধিক উন্নত মানদণ্ডৰ কৰি তোলে — এয়ে মোৰ একান্ত অনুৰোধ।

আমাৰ মহাবিদ্যালয়ৰ সঙ্গীত অনুৰাগী ছাত্ৰ-ছাত্ৰীৰ বাবে এইটো বৰ সৌভাগ্যজনক যে অইন মহাবিদ্যালয়ৰ তুলনাত আমাৰ মহাবিদ্যালয়ত সঙ্গীত চৰ্চাৰ যিখিনি প্ৰাৰম্ভিক বাদ্য-যন্ত্ৰৰ প্ৰয়োজন সেই আটাইখিনিয়ে আমাৰ মহাবিদ্যালয়ত আছে। কিন্তু এই বাদ্য-যন্ত্ৰবোৰ ৰাখিবলৈ উপযুক্ত ঠাই বা আছুতীয়া কোনো কোঠালি নথকাত সেইবোৰ অৱহেলিত ভাৱে অফিচ কোঠাৰ অ'ত-ত'ত পৰি থাকে। গতিকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষলৈ মোৰ অনুৰোধ, এই বাদ্য-যন্ত্ৰবোৰ আছুতীয়াকৈ ৰখাৰ অনতি পলমে যেন ব্যৱস্থা হাতত লয়।

অৱশেষত মোৰ কাৰ্যকালত বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীবসন্ত দত্তদেৱ, অধ্যক্ষ শ্ৰীযতীন্দ্ৰ নাথদেৱ, কাৰ্যনিৰ্বাহক কমিটিৰ উপ-সভাপতি শ্ৰীশৰৎ তালুকদাৰদেৱ আৰু মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা সকলে মোক নানা দিশত দিয়া তেওঁলোকৰ বহুমূলীয়া পৰামৰ্শৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ' সমূহ সম্পাদক-সম্পাদিকা আৰু মোৰ কাৰ্যকালত যিসকল বন্ধু-বান্ধৱীয়ে মোক অকৃত্ৰিম ভাৱে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকৰ প্ৰতিও মই মোৰ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালো। সদৌ শেষত অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"

শ্ৰীযোনাথন মাৰাক

সাংস্কৃতিক সম্পাদক

# তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকাৰ প্ৰতিবেদন—

জয় জয়তে যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু বান্ধৱীয়ে মৰম আৰু সহানুভূতিৰে মোক তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদিকাৰ দৰে গুৰু দায়িত্বভাৰ অৰ্পণ কৰি তেওঁলোকক সেৱা কৰাৰ সুবিধা দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সু-নাগৰিক গঢ়াৰ ক্ষেত্ৰত যুক্তি তৰ্কৰ অনুশীলনৰ বৰ আৱশ্যক। তাতে আমাৰ দেশ গণতন্ত্ৰৰ ভেটিত প্ৰতিষ্ঠিত। এই গণতন্ত্ৰত প্ৰত্যেক নাগৰিকৰে মতামত দাঙি ধৰাৰ অধিকাৰ আছে। কোৱা বাহুল্য, সেই অধিকাৰ সাব্যস্ত কৰিবলৈ হ'লে প্ৰত্যেক নাগৰিক সু-বক্তা আৰু সৎসাহসী হোৱা উচিত। বিদ্যালয় মহাবিদ্যালয় বিলাকত আয়োজিত তৰ্কসভা বিলাকে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতে তেনেধৰণে গঢ় লোৱাৰ সুযোগ দিয়ে। সেয়ে এই বিলাকত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়তাৰে অংশ গ্ৰহণ কৰা উচিত।

আন আন বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত বিভিন্ন কাৰ্য-সূচীৰে "কলেজ সপ্তাহ" পালন কৰা হয়। তাত তৰ্ক সভা আকস্মিক বক্তৃতা আবৃত্তি (অসমীয়া, ইংৰাজী) কুইজ আদি প্ৰতিযোগিতা পতা হয়। তৰ্ক সভাত অধ্যক্ষতা কৰে অধ্যাপক শ্ৰীবসন্ত কুমাৰ দত্তদেৱে। এইবাৰ প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা আন বছৰৰ তুলনাত অধিক হৈছিল যদিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ তুলনাত তাক অতি তাকৰ বুলিয়ে কব লাগিব। আন এটা পৰিতাপৰ কথা এই যে, প্ৰতিযোগিতাৰ সময়ত প্ৰতিযোগীৰ বাহিৰে মহাবিদ্যালয়ত আন ছাত্ৰ—ছাত্ৰীক প্ৰায়ে উপস্থিত থকা দেখিবলৈ পোৱা নাযায়। ভৱিষ্যতলৈ আমাৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকললৈ মোৰ এটি অনুৰোধ যাতে তেওঁলোকে এনেবোৰ সভা সমিতি বা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহে আৰু এনে অনুষ্ঠানৰ মৰ্যাদাও অটুট ৰাখে।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজন কৰা তৰ্ক সভা, আকস্মিক বক্তৃতা, আবৃত্তি (অসমীয়া, ইংৰাজী) আৰু কুইজ প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত যি সকল অধ্যাপক, অধ্যাপিকাই মোক সহায়—সহযোগ আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো : তৰ্ক, আবৃত্তি আদিৰ বিষয়-বস্তু ঠিক কৰি দি সহায় সহযোগিতা আগবঢ়োৱা বাবে অধ্যাপক শ্ৰীখগেশসেন ডেকাদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা

নিবেদন কৰিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে উক্ত প্ৰতিযোগিতা সমূহত অংশ গ্ৰহণ কৰি সহযোগ আগবঢ়ালে তেওঁলোকলৈ মোৰ শুভেচ্ছা আৰু ধন্যবাদ থাকিল। এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দ্বিজেন দাসদেৱে প্ৰত্যেক কামতে দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ। ইয়াৰ উপৰিও যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সকলো সময়তে সহায় কৰিছিল, তেখেত সকললৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা যাচিলোঁ।

সদৌ শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম"

মিচ্‌ ভৈৰবী চৌধুৰী
সম্পাদিকা, তৰ্ক আৰু আলোচনাচক্ৰ

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয়জয়তে সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰি মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ক সেৱা কৰাৰ সুযোগকণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শিক্ষাৰ এটি প্ৰধান অঙ্গ হ'ল সমাজ সেৱা। পুথিগত শিক্ষাতে ছাত্ৰ জীৱনৰ শিক্ষা শেষ নহয়। পাঠ্যপুথিৰ শিক্ষাৰ লগে লগে ছাত্ৰ সমাজৰ প্ৰয়োজন সমাজ সেৱাৰ। সমাজ সেৱাই ছাত্ৰ-ছাত্ৰীক মানৱ সেৱাৰ নিচিনা এবিধ অমূল্য জ্ঞানৰ সন্ধান দিয়ে। কিন্তু বহু ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক এই বিষয়টো আওকাণ কৰা দেখা যায়। মোৰ এবছৰীয়া অভিজ্ঞতাৰ পৰা এটা ধাৰণা হৈছে, কোনো এদিন সমাজ সেৱাৰ কাম দিলে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তেনেই সেৰেঙা হয়। নক'লেও হব, কম সংখ্যক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমাজ সেৱাৰ কামত আগবাঢ়ি যোৱাত যথেষ্ট অসুবিধা। ফলত এই বিষয়টো বহুত পিছ পৰি যায়। আশা কৰিলোঁ, বন্ধু-বান্ধৱী সকলে সমাজ সেৱা বিষয়টোৰ ওপৰত অধিক গুৰুত্ব দিব।